





Scanned with CamScanner







Scanned with CamScanner




Scanned with CamScanner




Scanned with CamScanner

# বি এইচ কলেজত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ সামৰণি




গণ বাৰ্তা, হাউলী, ২৮ ফেব্ৰুৱাৰী ঃ বি এইচ কলেজৰ ছায়েন্স ফ'ৰামৰ উদ্যোগত আজি সমগ্ৰ দেশৰ লগতে বি এইচ কলেজতো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। এইউপলক্ষে কলেজৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, উদ্ভিদ বিজ্ঞান, অংক শাস্ত্ৰ, প্ৰাণী বিজ্ঞান আৰু পৰিসংখ্যা বিজ্ঞান বিভাগে সুকীয়া সুকীয়াকৈ একোখনি আটকধুনীয়া প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি উলিয়ায়। বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক কুলেন দেৱ মিশ্ৰই প্ৰাচীৰ পত্ৰিকাসমূহ উন্মোচন কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকাসমূহৰ প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰে। আন্তঃবিভাগ প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাই প্ৰথম স্থান, অংকশাস্ত্ৰ বিভাগৰ প্ৰাচীৰ পত্ৰিকাই দ্বিতীয় স্থান আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাই তৃতীয় স্থান অধিকাৰ কৰে। বিজ্ঞান দিৱস উপলক্ষে অনুষ্ঠিত বক্তৃতা অনুষ্ঠানত 'বৰ্তমান সময়ত মৌলিক বিজ্ঞানৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয়ত অধ্যাপক কুলেন দেৱ মিশ্ৰই বক্তৃতা প্ৰদান কৰে। বক্তৃতাৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা নেহা দাসে বিষয়টোৰ ওপৰত চমু মতামত দাঙি ধৰে। এই অনুষ্ঠানতে কলেজৰ বিজ্ঞান শাখাৰ জ্যেষ্ঠতম আৰু প্ৰতিষ্ঠাপক অধ্যাপক মৃণাল কান্তি ভৌমিক আৰু আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° চুলতান আলী আহমেদক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ছায়েন্স ফ'ৰামৰ সম্পাদক অধ্যাপিকা ড° সুৰুচি সিঙে মাত ধৰা এই অনুষ্ঠানত কলেজৰ বিজ্ঞান শাখাৰ সমূহ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

Scanned with CamScanner

অসমীয়া প্ৰতিদিন ■ বঙাইগাঁও ■ শুকুৰবাৰ, ৩ মাৰ্চ, ২০১৭/১৯ ফাগুন, ১৯৩৮ শক

# বি এইচ কলেজত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

প্ৰতিদিন সেৱা, হাউলী, ২ মাৰ্চ : বি এইচ কলেজৰ ছায়েন্স ফ'ৰামৰ উদ্যোগত সমগ্ৰ দেশৰ লগতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে কলেজৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, উদ্ভিদ বিজ্ঞান, অংকশাস্ত্ৰ, প্ৰাণী বিজ্ঞান আৰু পৰিসংখ্যা বিজ্ঞান বিভাগে সুকীয়া সুকীয়াকৈ একোখনি আটকধুনীয়া প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি উলিয়ায়। বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক কুলেন দেৱমিশ্ৰই প্ৰাচীৰ পত্ৰিকাসমূহ উন্মোচন কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকাসমূহৰ প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰে। আন্তঃবিভাগ প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাই প্ৰথম স্থান, অংকশাস্ত্ৰ বিভাগৰ প্ৰাচীৰ পত্ৰিকাই দ্বিতীয় স্থান আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাই তৃতীয় স্থান অধিকাৰ কৰে। বিজ্ঞান দিৱস উপলক্ষে অনুষ্ঠিত বক্তৃতা অনুষ্ঠানত বৰ্তমান সময়ত মৌলিক বিজ্ঞানৰ প্ৰাসংগিকতা শীৰ্ষক বিষয়ত অধ্যাপক কুলেন দেৱমিশ্ৰই বক্তৃতা প্ৰদান কৰে। বক্তৃতাৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা নেহা দাসে বিষয়টোৰ ওপৰত চমু মন্তব্য দাঙি ধৰে। এই অনুষ্ঠানতে কলেজৰ বিজ্ঞান শাখাৰ জ্যেষ্ঠ আৰু প্ৰতিষ্ঠাপক অধ্যাপক মৃণালকান্তি ভৌমিক আৰু আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° চুলতান আলী আহমেদক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ছায়েন্স ফ'ৰামৰ সম্পাদক অধ্যাপিকা ড° সুৰুচি সিঙে আঁত ধৰা এই অনুষ্ঠানত কলেজৰ বিজ্ঞান শাখাৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে তিনিশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

Scanned with CamScanner

প্ৰতিদিনৰ অসম

# বঙাইগাঁও-হাউলীত আজি বিজ্ঞান দিৱস

**প্ৰতিদিন সংবাদ, বঙাইগাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** কাইলৈ বঙাইগাঁও টাউন হাইস্কুলত আঞ্চলিক ভিত্তিত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হ'ব। অসম বিজ্ঞান সমিতিৰ বঙাইগাঁও শাখাৰ উদ্যোগত উদ্‌যাপিত হ'বলগীয়া এই অনুষ্ঠানটোৰ ৰাজ্যিক সাংগঠনিক এজেন্সি হ'ল অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা পৰিবেশ পৰিষদ। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ এন চি এছ টি চিৰ আৰ্থিক সহযোগত অনুষ্ঠিত হ'বলগা এই অনুষ্ঠানত বঙাইগাঁও, চিৰাং, ধুবুৰী আৰু গোৱালপাৰা জিলাৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। বিজ্ঞানৰ আৰ্হি, বিজ্ঞান কুইজ, ৰচনা আৰু বক্তৃতা প্ৰতিযোগিতা সম্বলিত এই অনুষ্ঠানত বীৰঝৰা চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ কৰিব।

**হাউলীৰ প্ৰতিদিন সেৱা ঃ** সমগ্ৰ দেশৰ লগতে হাউলীৰ বি এইচ কলেজৰ 'দি ছায়েন্স ফ'ৰাম'ৰ উদ্যোগত কাইলৈ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হ'ব। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান আৰু অংক শাস্ত্ৰ বিভাগে এখন বিজ্ঞানৰ প্ৰাচীৰ পত্ৰিকাও প্ৰকাশ কৰিব। বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কুলেন্দ্ৰ দেৱ মিশ্ৰই উক্ত প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰিব। আবেলি ডেৰ বজাত কলেজৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত 'বৰ্তমান সময়ত মৌলিক বিজ্ঞানৰ প্ৰাসংগিকতা'ৰ বিষয়ে অধ্যাপক কুলেন্দ্ৰ দেৱ মিশ্ৰই ভাষণ দিব। উক্ত মুকলি সভাত বি এইচ কলেজৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠক আৰু আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° চুলতান আলী আহমেদেও ভাষণ দিব বুলি দি ছায়েন্স ফ'ৰামৰ সম্পাদক ড° সুৰুচি সিঙে জনাইছে।

Scanned with CamScanner